প্ৰেছ বাৰ্তা  পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ আভ্যন্তৰীণ গাণনিক গংগা কলিতাৰ অৱসৰ

**গুৱাহাটী ৩ ডিচেম্বৰ** —পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ কৰ্মচাৰী গংগা কলিতাই যোৱা ৩০ নৱেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৮৮ চনতে অংশকালীন কৰ্মচাৰী হিচাপে চাকৰি আৰম্ভ কৰা কলিতাই দুবছৰ পিছত স্থায়ী নিযুক্তি লাভ কৰে আৰু সুদীৰ্ঘ ২৭ বছৰ ৫মহীয়া চাকৰিৰ কাৰ্যকালত তিনিটাকে পদোন্নতি লাভ কৰি আভ্যন্তৰীণ গাণনিক হিচাপে অৱসৰ গ্ৰহণ কৰে।

আয়ুক্তালয়ত আজি বিভাগৰ আয়ুক্ত হেমেন দাসৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত কৰ্মচাৰীগৰাকীক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱাৰ লগতে পেন্সনত পাবলগীয়া গ্ৰেচ্যুইটিকে ধৰি অন্যান্য সুবিধাৰ নিৰ্দেশ পত্ৰও আনুষ্ঠনিকভাৱে প্ৰদান কৰা হয়। সভাত সকলোৱে শ্ৰীকলিতাই নিষ্ঠাসহকাৰে আগবঢ়োৱা সেৱাৰ শলাগ লয় আৰু তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। সভাত অৱসৰী কৰ্মচাৰী কলিতাই সুদীৰ্ঘ চাকৰি জীৱনৰ অভিজ্ঞতাৰ বিষয়ে সুঁৱৰি সকলোৰে শলাগ লয়। চাকৰিৰ কাৰ্যকালত নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ দৰে এতিয়া সেই একেই নিষ্ঠাৰে অথচ চৰকাৰী বাধ্যবাধকতাৰ আওতাৰ বাহিৰত থাকি নিজা ভূমিত অৰ্গেনিক কৃষিকৰ্মৰে আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ সভাপতিৰ ভাষণ প্ৰসংগত আয়ুক্তগৰাকীয়ে শ্ৰীকলিতাক আহ্বান জনোৱাৰ লগতে অন্যান্য নৱনিযুক্ত কৰ্মচাৰীসকলকো কলিতাৰ আদৰ্শ ল'বলৈ আহ্বান জনায়। সভাত অতিৰিক্ত আয়ুক্ত দিতীমণি পেগুকে ধৰি আয়ুক্তালয়ৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

*এম আৰ ডি/৩-১২-২০২০*











